www.prepp.in

Prepp
Your Personal Exams Guide

Language Code : **03**

# SAS-24-II

**प्रश्न-पत्र-II / PAPER-II**

**असमीया भाषा परिशिष्ट**

**Assamese Language Supplement**

**भाग-IV & V / PART-IV & V**

मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code

**O**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **O**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **O**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :

अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________

परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :

परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :

Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.prepp.in

prepp
Your Personal Exams Guide

Language Code : **03**

# SAS-24-II

**কাকত-II**

**অসমীয়া ভাষা**

**খণ্ড-IV & V**

পৰীক্ষা বহীখনৰ কোড

**O**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **O** এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমুধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নাত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ সহী : ____________________ নিৰীক্ষকৰ সহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

Prepp
Your Personal Exams Guide

## PART-IV

## LANGUAGE-I

## ASSAMESE

| |
|---|
| পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV -ৰ (প্ৰশ্ন নং 91 -ৰ পৰা 120 লৈ)** উত্তৰ কৰিব। |

**নিৰ্দেশ ঃ তলৰ পাঠ অংশ পঢ়ি 91 ৰ পৰা 99 লৈ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা বাছি উলিওৱাঁ ।**

মস্তিষ্কই শৰীৰৰ সকলো অঙ্গ-প্ৰত্যঙ্গৰ কাম পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। বিভিন্ন অঙ্গ-প্ৰত্যঙ্গৰ কামৰ মাজত সমন্বয় সাধন কৰাটোও মস্তিষ্কৰ এটা প্ৰধান কাম। মস্তিষ্কৰ এই ভূমিকা সকলো প্ৰাণীৰ ক্ষেত্ৰতে একে। কিন্তু মানুহৰ মস্তিষ্কই আৰু দুটা অতিৰিক্ত কাম কৰে - যি দুটা কাম ইতৰ প্ৰাণীৰ মস্তিষ্কই কৰিব নোৱাৰে। সেই দুটা কাম হ'ল মনত ৰখা আৰু চিন্তা কৰা। কোনো কোনো উন্নত বিধৰ প্ৰাণীৰ সামান্য পৰিমাণে স্মৃতিশক্তি থাকিব পাৰে ; কিন্তু মানুহৰ চিন্তা-শক্তিৰ তুলনাত সি নগণ্য। স্মৃতি-শক্তিৰ সহায়েৰে মানুহে তেওঁৰ আটাইবোৰ অভিজ্ঞতা-লব্ধ তথ্য মস্তিষ্কত সংৰক্ষিত কৰি থ'ব পাৰে কাৰণেই নিজৰ ভুলবোৰ পৰিহাৰ কৰি চলিবলৈ সক্ষম হয় আৰু সেই তথ্যবোৰক চিন্তাৰ খোৰাক হিচাপে ব্যৱহাৰ কৰিব পাৰে। স্মৃতি-শক্তিৰ অবিহনে মানুহে কেতিয়াও চিন্তা কৰিব নোৱাৰিলেহেঁতেন, কাৰণ চিন্তা কৰিবলৈ তেওঁৰ কোনো অৱলম্বন নাথাকিলেহেঁতেন। আনহাতে চিন্তা-শক্তিৰ অবিহনে মানুহ আজিও ইতৰ প্ৰাণীৰ পৰ্যায়তেই থাকি গ'লহেঁতেন, কাৰণ চিন্তা-শক্তিৰ অবিহনে কেতিয়াও মানুহৰ উদ্ভাৱিকা-শক্তিৰ উন্মেষ আৰু বিকাশ নঘটিলেহেঁতেন। মানুহৰ উদ্ভাৱিকা-শক্তিৰ প্ৰথম বিৰাট সাফল্য হ'ল ভাষাৰ সৃষ্টি। বস্তুতঃ মানুহৰ উন্নতিৰ আটাইতকৈ ডাঙৰ সঁজুলি হ'ল ভাষা। মানুহৰ চিন্তা-শক্তি আৰু ভাষাৰ মাজত অবিচ্ছেদ্য সম্পৰ্ক বিৰাজমান। এটাক বাদ দি আনটোৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। এই কথাটো বুজিবলৈ খুব বেছি বুদ্ধিৰ দৰকাৰ নাই। যি কোনো মানুহেই শব্দৰ সহায় নোলোৱাকৈ মাত্ৰ এক মিনিট সময় চিন্তা কৰিবলৈ চেষ্টা কৰিলেই তেওঁ নিজে নিজে আৱিষ্কাৰ কৰিব পাৰিব যে শব্দ বা ভাষাৰ সহায় নোলোৱাকৈ চিন্তা কৰাটো একেবাৰে অসম্ভৱ। আমি যেতিয়া স্মৃতি-শক্তিৰ কথা কওঁ, তেতিয়াও আমি ঘাইকৈ শব্দ মনত ৰখাৰ কথাহে কওঁ ; কাৰণ আমি বিশ্ব-জগতৰ প্ৰতিটো বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণা বুজাবৰ কাৰণে একো একোটা সংকেত তথা শব্দ ব্যৱহাৰ কৰোঁ। জ্যোতিৰ্বিজ্ঞানীসকলে যেতিয়া আকাশত এটা নতুন নক্ষত্ৰ বা নীহাৰিকা-পুঞ্জ আৱিষ্কাৰ কৰে, লগে লগে তেওঁলোকে তাৰ এটা নাম দিয়ে। এটা নাম অৰ্থাৎ শব্দৰ দ্বাৰা বিশেষভাৱে চিহ্নিত নোহোৱালৈকে সেই নক্ষত্ৰ বা নীহাৰিকাপুঞ্জক এটা তথ্য হিচাপে আমাৰ মস্তিষ্কত সংৰক্ষিত কৰি ৰখাটো সম্ভৱ নহয়। বিশ্ব-জগতৰ প্ৰত্যেক বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণাৰ ক্ষেত্ৰতে এই কথা খাটে। আমাৰ সকলো জ্ঞান সঞ্চিত হৈ থাকে ভাষাৰ মাজত, আৰু ভাষাৰ সহায়েৰে চিন্তা কৰি কৰি আমি নতুন নতুন জ্ঞান আহৰণ কৰি থাকোঁ।

**91.** 'নোৱাৰিলেহেঁতেন', 'নাথাকিলেহেঁতেন' শব্দকেইটাই কি কাল সূচাইছে ?

(1) সাম্ভাব্য ভূত কাল (2) নিত্য ভূত কাল (3) স্বৰূপ ভূত কাল (4) সামীপ্য ভূত কাল

**92.** মানুহে মূলতঃ কি মনত ৰাখে ?

(1) স্মৃতি (2) বস্তু (3) ভাষা (4) শব্দ

93. ওপৰৰ পাঠটোৰ বক্তব্যৰ আধাৰত তলত এটা **উক্তি - (A)** আৰু এটা **যুক্তি - (R)** দিয়া আছে। দুয়োটাৰ ক্ষেত্ৰত প্ৰযোজ্য শুদ্ধ বিকল্পটো চিনাক্ত কৰাঁ -

**উক্তি - (A) ঃ** চিন্তা শক্তিৰ বিকাশ নঘটা হ'লে মানুহৰ অৱস্থা ইতৰ প্ৰাণীৰ পৰ্যায়তে ৰৈ গ'লহেতেন।

**যুক্তি - (R) ঃ** উদ্ভাৱিকা-শক্তিৰ উন্মেষ আৰু বিকাশৰ ক্ষেত্ৰত চিন্তা শক্তিয়েই মূল আধাৰ।

(1) **(A)** শুদ্ধ **(R)** অশুদ্ধ

(2) **(A)** অশুদ্ধ **(R)** শুদ্ধ

(3) **(A)** শুদ্ধ আৰু **(R)** হৈছে **(A)** ৰ শুদ্ধ ব্যাখ্যা

(4) **(A)** শুদ্ধ, কিন্তু **(R)**, **(A)** ৰ শুদ্ধ ব্যাখ্যা নহয়

94. মানুহৰ উন্নতিৰ সবাতোকৈ ডাঙৰ সঁজুলি হৈছে __________।

(1) ভাষা (2) অভিজ্ঞতা - লব্ধ তথ্য

(3) চিন্তাশক্তি (4) মস্তিষ্ক

95. তলত দিয়া উক্তি দুটাৰ শুদ্ধাশুদ্ধ ওপৰৰ পাঠটোৰ আধাৰত বিচাৰ কৰাঁ -

**উক্তি 'ক' ঃ** শব্দৰ সহায় নোলোৱাকৈ পৃথিৱীৰ কোনো বিষয় মানুহে চিন্তা কৰিব নোৱাৰে।

**উক্তি 'খ' ঃ** কোনো কোনো প্ৰাণীৰ মানুহৰ সমতুল্য স্মৃতিশক্তি থাকে।

(1) **'ক'** আৰু **'খ'** দুয়োটাই শুদ্ধ (2) **'ক'** আৰু **'খ'** দুয়োটাই অশুদ্ধ

(3) **'ক'** শুদ্ধ **'খ'** অশুদ্ধ (4) **'ক'** অশুদ্ধ **'খ'** শুদ্ধ

96. 'অস্তিত্ব' শব্দটোৰ সমাৰ্থক শব্দ -

(1) উপস্থিতি (2) ব্যক্তি (3) সাৰবস্তু (4) সত্তা

97. মস্তিষ্কই সকলো প্ৰাণীৰ ক্ষেত্ৰতে সাধাৰণভাৱে কৰা কামটো হৈছে -

(1) উদ্ভাৱনী শক্তিৰ বিকাশ কৰা (2) শৰীৰৰ অঙ্গ প্ৰত্যঙ্গৰ কাম নিয়ন্ত্ৰণ কৰা

(3) মনত ৰখা (4) চিন্তা কৰা

98. ওপৰৰ পাঠটোৰ আধাৰত তলৰ কোনটো বাক্য শুদ্ধ বুলিব পাৰি ?

(1) বিশ্ব জগতৰ প্ৰতিটো বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণা মস্তিষ্কই সংৰক্ষণ কৰে মানুহৰ চিন্তা শক্তিৰ যোগেদি।

(2) বিশ্ব জগতৰ প্ৰতিটো বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণা মস্তিষ্কত সংৰক্ষণ কৰাৰ ক্ষেত্ৰত জ্ঞানেই হৈছে মূল।

(3) বিশ্ব জগতৰ প্ৰতিটো বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণা মস্তিষ্কত ভাষাৰ সহায়ত সংৰক্ষণ কৰি থোৱা হয়।

(4) বিশ্ব জগতৰ প্ৰতিটো বস্তু, ঘটনা আৰু বিমূৰ্ত ধাৰণা মস্তিষ্কত সংৰক্ষণ কৰিবলৈ মানুহৰ জ্ঞানৰ প্ৰয়োজন।

99. মানুহে ভুল পৰিহাৰ কৰিবলৈ -

(1) ভাষাৰ সহায় লয় (2) উদ্ভাৱিকা-শক্তিৰ সহায় লয়

(3) স্মৃতি-শক্তিৰ সহায়ত চিন্তা কৰে (4) চিন্তা-ভাৱনাৰ কৰ্ষণ কৰে

Prepp
Your Personal Exams Guide

**নিৰ্দেশ ঃ** **তলৰ কবিতাটো পঢ়ি 100 ৰ পৰা 105 লৈ প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰা঄ ।**

মোৰ চিৰ জনমৰ চিৰ চেনেহৰ
যত অপূৰণ আশা
হয়তো কাৰোবাৰ মধু পৰশত
পাব কেতিয়াবা ভাষা।
দেৱৰ আশিষ হয়তো নামিব
ফুলাব শুকোৱা কলি
মাথোঁ মই যাম কেনিবা আঁতৰি
হ'ম ধৰণীৰ ধূলি।

**100.** অপূৰণ আশাবোৰ -

(1) দেৱৰ আশিস (2) ধৰণীৰ ধূলি (3) মধু পৰশৰ (4) চিৰ চেনেহৰ

**101.** কবিতাটোত সামগ্ৰিকভাৱে ব্যৱহৃত অলংকাৰবিধ হৈছে -

(1) বক্ৰোক্তি (2) অনুপ্ৰাস (3) উপমা (4) সন্দেহ

**102.** কবিতাটোত সজীৱ হৈ থকা ভাৱটো কি ?

(1) ইহলৌকিক কামনা (2) বস্তুবাদ
(3) জীৱনৰ আৰাধনা (4) মৃত্যু চেতনা

**103.** "ফুলাব শুকোৱা কলি।" - ইয়াত শুকোৱা শব্দটো এটা -

(1) সৰ্বনাম (2) ক্ৰিয়া (3) বিশেষ্য (4) বিশেষণ

**104.** অপূৰণ আশাবোৰে কেতিয়া ভাষা পাব বুলি কবিয়ে বিশ্বাস কৰে ?

(1) কাৰোবাৰ মধু পৰশ পৰিলে (2) দেৱতাই কৃপা কৰিলে
(3) কবি যেতিয়া কেনিবা আঁতৰি যাব (4) কবি যেতিয়া ধৰণীৰ ধূলিত মিলি যাব

**105.** শুকোৱা কলি ফুলাবৰ বাবে কবিয়ে কি কামনা কৰিছে ?

(1) কাৰোবাৰ পৰশ (2) কাৰোবাৰ মধুৰ ভাষা
(3) অপূৰণ আশাবোৰৰ পূৰ্ণতা (4) দেৱতাৰ আশীৰ্বাদ

www.prepp.in

**106.** তলৰ কোনটো চিহ্ন-ভাষাৰ ক্ষেত্ৰত শুদ্ধ নহয় ?

(1) চিহ্ন ভাষাৰ ব্যাকৰণ নাথাকে
(2) চিহ্ন ভাষাৰ ব্যাকৰণ থাকে
(3) চিহ্ন ভাষাৰ বহুতো প্ৰকাৰ থাকে
(4) চিহ্ন ভাষা এক স্বাভাৱিক ভাষা

**107.** তলৰ শিকন কাৰ্যটো শিক্ষাৰ্থীসকলক গোট বান্দি কৰিবলৈ দিয়া হৈছে। শব্দাৰ্থ জ্ঞান বৃদ্ধিৰ ক্ষেত্ৰত এই কাৰ্যটো কি বুলি জনা যায়। কাৰ্যটো হৈছে -

পৰিয়াল   সম্বন্ধ   অনুভৱ

(1) গেট ভাষা (Cluster Vocabulary)
(2) ৱৰ্ড-ৱেব
(3) বিষয়ভিত্তিক শব্দভাণ্ডাৰ
(4) ভাষাগেট (Word clusters)

**108.** ব্যাকৰণৰ শিক্ষণ-শিকনৰ ব্যৱস্থাগত জ্ঞান (Procedural knowledge) হৈছে -

(1) ব্যাকৰণৰ নিয়মসমূহৰ জ্ঞান আহৰণ কৰা
(2) ভাষা আৰু ইয়াৰ সংস্কৃতিৰ সম্পৰ্কে জ্ঞাত হোৱা
(3) কিদৰে ব্যাকৰণৰ প্ৰশ্নোত্তৰ কৰা হৈছে
(4) বৈয়াকৰণিক উপকৰণসমূহৰ বিষয়ে জনা

**109.** এগৰাকী শিক্ষাৰ্থীয়ে বাতৰিকাকতৰ বাতৰিৰ পৰা কিছুমান বিশেষ তথ্য জানিব পাৰিছে। এইধৰণৰ পঠনক কোৱা হয় -

(1) বীক্ষণ (Scanning)
(2) পঢ়ন দক্ষতা
(3) সমীক্ষাত্মক পঠন (Critical Reading)
(4) সাৰ-গ্ৰহণ (Skimming)

**110.** এগৰাকী ভাষা শিক্ষকে প্ৰথমতে ইংৰাজীত এটা কাহিনী শুনালে। তাৰ পাছত শিক্ষাৰ্থীক কাহিনীটো নিজৰ ভাষাত ক'বলৈ দিলে আৰু নিজৰ ভাষাত কৈ শ্ৰেণীকোঠাৰ সাধাৰণ ভাষাত ক'বলৈ দিলে। এই ধৰণৰ শিক্ষা দানৰ কৌশলক কোৱা হয় -

(1) বহু ভাষিক শিক্ষণ
(2) ভাষা আহৰণ
(3) ভাষান্তৰকৰণ (Translanguaging)
(4) বহুভাষিক আঁচনি (Multilingual Policy)

**111.** ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী শ্ৰেয়াই দেউতাকৰ চাকৰিৰ স্থান সলনি হোৱা বাবে পাঞ্জাৱৰ জলন্ধৰৰ পৰা তামিলনাডুৰ মাডুৰাইলৈ যাব লগা হ'ল। তেওঁ মাতৃভাষা পাঞ্জাৱী আৰু বিদ্যালয়ৰ ভাষা ইংৰাজী জানিছিল। পাছত তেওঁ চুবুৰীয়াসকলৰ পৰা তামিল ক'বলৈ আৰু পঢ়িবলৈ শিকিছে। তেওঁ বৰ্তমান জনা ভাষা কেইটাৰ আধাৰত তলৰ কোনটো উক্তি শুদ্ধ ?

(1) তিনিওটা ভাষা পাঞ্জাৱী, তামিল আৰু ইংৰাজী তেওঁ ভাষা-শিক্ষণৰ যোগেদি শিকে।

(2) তেওঁৰ বাবে ইংৰাজী ভাষা-আহৰণ, পাঞ্জাৱী আৰু তামিল ভাষা-শিক্ষণ।

(3) তেওঁ পাঞ্জাৱী আৰু ইংৰাজী ভাষা-আহৰণৰ যোগেদি আৰু তামিল ভাষা-শিক্ষণৰ যোগেদি আহৰণ কৰিছে।

(4) তেওঁৰ তামিল ভাষা ভাষা-আহৰণৰ ভিতৰত পৰে আৰু ইংৰাজী আৰু পাঞ্জাৱী ভাষা ভাষা-শিক্ষণৰ ভিতৰত পৰে।

**112.** সপ্তম শ্ৰেণীৰ এজন শিক্ষকে এটা যুগ্ম-অভ্যাসনৰ বাবে দুগৰাকীকৈ শিক্ষাৰ্থীৰ যুগ্মকক দহটা বাক্যৰ এটাকৈ কাহিনী দিলে। এটা দলে প্ৰথম বাক্যকেইটা পঢ়ি যায় আৰু আনটো দলে সেই বাক্যবোৰ লিখি থয়। তাৰ পাছত দ্বিতীয় গোটে কাহিনীটো পঢ়ে আৰু প্ৰথম গোটে লিখি থয়। এনেদৰে তেওঁলোকে কাহিনীটো সম্পূৰ্ণ কৰিলে। তাৰ পাছত তেওঁলোকে অনুবাদবোৰ মূলৰ সৈতে মিলাই চালে। এই কাৰ্যটোক কি বুলি কোৱা হয়?

(1) বাক্যৰ শ্ৰুতলিপি (2) পাৰস্পৰিক শ্ৰুতলিপি

(3) সৌহাৰ্দ্যমূলক লেখ (4) সৌহাৰ্দ্যমূলক শ্ৰৱণ

**113.** আমি দৈনন্দিন জীৱনত মুখামুখিকৈ কৰা ভাৱ বিনিময়ৰ বাবে ব্যৱহাৰ কৰা ভাষাক জনা যায় -

(1) যোগাযোগমূলক ভাষা দক্ষতা

(2) আন্তঃব্যক্তিক ভাষা দক্ষতা

(3) বোধজনিত বিদ্যায়তনিক ভাষা দক্ষতা (CALP)

(4) প্ৰাথমিক আন্তঃব্যক্তিক যোগাযোগ দক্ষতা (BICS)

**114.** এগৰাকী মাধ্যমিক স্তৰৰ শিক্ষকে এটা পাঠ বা কাহিনী শিক্ষাৰ্থীসকলক দিলে আৰু ক্ষমতা আৰু ন্যায়ৰ দৃষ্টিৰে কাহিনীটো ব্যাখ্যা কৰিবলৈ দিলে। শিক্ষকগৰাকী শিক্ষাৰ্থীসকলৰ মনত কিহৰ বিকাশ ঘটাব বিচাৰিছিল ?

(1) জটিল ভাষা বিকাশ

(2) উচ্চস্তৰীয় ভাষা দক্ষতা

(3) জটিল স্বাক্ষৰ দক্ষতা (Critical literacy skills)

(4) সমীক্ষাত্মক শিকন কৌশল

**115.** এটা শিক্ষা পদ্ধতিত শিক্ষকে নিজৰ সৈতে চাৰিগৰাকী শিক্ষাৰ্থীক লৈ এটা সহযোগিতামূলক শিকন গোট গঠন কৰিলে। তেওঁলোকৰ মাজত পাঠ্যপুথিৰ পৃষ্ঠাৰ বিষয়ে আলোচনা আৰম্ভ হ'ল আৰু সমীপ্যসূচক অগ্ৰগতিৰ এক ক্ষেত্ৰ তৈয়াৰ হ'ল, য'ত ৰচনা পঢ়ন দক্ষতা বৃদ্ধি পালে। এই পদ্ধতিটো হৈছে -

(1) গঠনমূলক অভিগমন (2) আৰ্হি পঠন

(3) ব্যাকৰণ অনুবাদ পদ্ধতি (4) পাৰস্পৰিক শিক্ষণ

116. নৈদানিক শিক্ষা প্ৰযোজ্য হয় -

(1) শিক্ষাৰ্থী আৰু শিক্ষকে বুজিবৰ বাবে আৰু শিক্ষণ/শিকন কৌশল সলনি বা উন্নত কৰিব বিচাৰে।

(2) ভাষাৰ কাকতত শিক্ষাৰ্থী আৰু শিক্ষকে বেছি নম্বৰ পাব বিচাৰে।

(3) যিসকলৰ ভাষা শিক্ষণৰ ক্ষেত্ৰত বিশেষ মনোযোগৰ প্ৰয়োজন।

(4) শিক্ষকে একাংশ বিশেষ শিক্ষাৰ্থীৰ বাবে নিজৰ শিক্ষণ সলনি কৰিব বিচাৰে।

117. 'আন্তঃভাষিক চিনাক্তকৰণ' (Interlingual identification) মানে কি ?

(1) নিজৰ ভাষাৰ জ্ঞানে দ্বিতীয় ভাষা শিক্ষণক প্ৰভাৱিত কৰে বুলি শিক্ষাৰ্থীয়ে কৰা ধাৰণা।

(2) বিভিন্ন ভাষা শিক্ষণে বিভিন্ন দক্ষতাৰ বিকাশ ঘটায় বুলি শিক্ষাৰ্থীৰ মনত থকা ধাৰণা।

(3) নিজৰ ভাষা আৰু লক্ষ্য ভাষাৰ মাজৰ কিছুমান কথা সাদৃশ্যপূৰ্ণ বুলি থকা শিক্ষাৰ্থীৰ ধাৰণা।

(4) নিজৰ ভাষা আৰু লক্ষ্য ভাষাৰ মাজৰ কিছুমান কথা বৈসাদৃশ্যপূৰ্ণ বুলি থকা শিক্ষাৰ্থীৰ ধাৰণা।

118. কোঝিকোড়িৰ মালায়ালম বক্তাসকলে একে ঠাইতে থকা আনসকলে কোৱা মালায়ালমতকৈ অলপ সুকীয়াকৈ ভাষাটো কয়। সংশ্লিষ্ট গোষ্ঠীসমূহৰ কথিত মালায়ালমক কোৱা হয় -

(1) মালায়ালমৰ সামাজিক উপভাষা (2) দুয়োটা দুটা সুকীয়া ভাষা

(3) দুটা প্ৰকাৰৰ মালায়ালম (4) মালায়ালমৰ আঞ্চলিক উপভাষা

119. তলৰ কোনটো বিস্তৃত পঠন (Extensive Reading) ৰ উদ্দেশ্য নহয় ?

(1) ব্যাকৰণ শিকিবৰ বাবে পঢ়া

(2) আনন্দৰ বাবে পঠন

(3) সমীক্ষাৰ বাবে পঠন (Reading for Appreciation)

(4) উদ্‌ঘাটনৰ বাবে পঠন (Reading for extrapolation)

120. ত্ৰিভাষা-সূত্ৰৰ ক্ষেত্ৰত তলৰ কোনটো শুদ্ধ ?

(1) মাতৃভাষা/ঘৰুৱা ভাষা/প্ৰথম ভাষা হিচাপে হিন্দী।

(2) মাতৃভাষা/ঘৰুৱা ভাষা/প্ৰথম ভাষা হিচাপে ইংৰাজী।

(3) মাতৃভাষা/ঘৰুৱা ভাষা/প্ৰথম ভাষা হিচাপে অঞ্চলিক ভাষা।

(4) ইংৰাজী/হিন্দী/ঘৰুৱা ভাষা/প্ৰথম ভাষা হিচাপে আঞ্চলিক ভাষা।

prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

Prepp
Your Personal Exams Guide

# PART–V

## LANGUAGE–II

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V -ৰ (প্ৰশ্ন নং 121 -ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

**নিৰ্দেশ ঃ তলৰ পেৰাগ্ৰাফটো পঢ়ি 121 ৰ পৰা 128 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ।**

বিভিন্ন ধৰণৰ কিতাপ-পত্ৰ, আলোচনী, খবৰ-কাকত বা তথ্য-পাতি আদি অধ্যয়নৰ কাৰণে য'ত গোটাই ৰখা হয় তাকে পুথিভঁৰাল বা গ্ৰন্থাগাৰ বোলে। গ্ৰন্থাগাৰত অভিধান, সাধুকথা, জীৱনী, উপন্যাস, কবিতা, নাটক, শিশু-গ্ৰন্থ, অনুবাদ-সাহিত্য আদিৰ লগতে বাতৰি কাকত, আলোচনী আৰু লাগতিয়াল কিতাপ-পত্ৰবোৰ সু-শৃংখলভাৱে থোৱা হয়। পুথিভঁৰালত কিতাপ-পত্ৰ আদান-প্ৰদানৰ অৰ্থে একোগৰাকী পুথিভঁৰালী বা গ্ৰন্থাগাৰিক থাকে। আজি-কালি প্ৰায় সকলো ঠাইতে গ্ৰন্থাগাৰ আছে।

নালন্দা বিশ্ববিদ্যালয়ে এসময়ত প্ৰসিদ্ধ শিক্ষানুষ্ঠান হিচাপে খ্যাতি লভিছিল। ইয়াত দেশ-বিদেশৰ ছাত্ৰ আহি ভৰি পৰিছিল। ইয়াৰ শিক্ষাৰ মান অতি উচ্চ খাপৰ আছিল। চীন দেশৰ পৰিব্ৰাজক হিউৱেনচ্যাঙে ইয়াত যোগ শাস্ত্ৰ পঢ়িছিল।

নালন্দা বিশ্ববিদ্যালয়ত যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ ভিতৰতে ডাঙৰ পুথিভঁৰাল আছিল। সেই পুথিভঁৰালটো ন-মহলীয়া আছিল আৰু তাৰ নাম আছিল 'ৰত্নোদধি'। নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংক শাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে ভিতৰে দহ হাজাৰ ছাত্ৰ আছিল। শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত এইখন বিশ্ববিদ্যালয়ৰ অধ্যক্ষ আছিল। তেওঁ কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল। ইয়াত ব্যাকৰণ, তৰ্ক শাস্ত্ৰ, চিকিৎসা শাস্ত্ৰ, দৰ্শন শাস্ত্ৰ আৰু অধ্যাত্ম বিজ্ঞানৰ শিক্ষা দিয়া হৈছিল।

**121.** 'উদাসীন' শব্দৰ সমাৰ্থক শব্দ -

(1) সন্ন্যাসী  
(2) ঋষি  
(3) কেৰলীয়া  
(4) বানপ্ৰস্থ

**122.** 'ৰত্নোদধি' কিহৰ নাম ?

(1) নালন্দাৰ অধ্যক্ষৰ নাম  
(2) এটা শিক্ষানুষ্ঠান  
(3) চীনৰ এটা পুথিভঁৰাল  
(4) নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল

**123.** ন মহলীয়া পুথিভঁৰালটো ক'ত আছিল ?

(1) নালন্দাত  
(2) শীল ভদ্ৰৰ ঘৰত  
(3) বিশ্ববিদ্যালয়ত  
(4) চীনত

Prepp
Your Personal Exams Guide

**124.** নালন্দা বিশ্ববিদ্যালয়ত কিমান ছাত্র আছিল ?

(1) ১০০০০০ (2) ১০১০০

(3) ১০০০ (4) ১০০০০

**125.** ওপৰৰ পাঠটোৰ আধাৰত তলৰ কোনটো বাক্য শুদ্ধ ?

(1) শীলভদ্ৰই শিক্ষাদানৰ বাবে পাৰিশ্ৰমিক লৈছিল।

(2) নালন্দাত চিকিৎসা আৰু অধ্যাত্ম বিজ্ঞানতো শিক্ষা দান কৰা হৈছিল।

(3) হিউৱেন চাঙে নালন্দালৈ আহিছিল ভাৰতৰ পৰা।

(4) নালন্দা বিশ্ববিদ্যালয়ত মূলতে দুটা বিষয়ত শিক্ষা দান কৰা হৈছিল।

**126.** "শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত" - ইয়াত উদাসীন শব্দটো -

(1) সৰ্বনাম (2) অব্যয়

(3) বিশেষ্য (4) বিশেষণ

**127.** তলৰ কোনটো বাক্য শুদ্ধ ?

(1) শীলভদ্ৰই বিনা পাৰিশ্ৰমিকে শিক্ষা দান কৰিছিল।

(2) ব্যাকৰণেই আছিল নালন্দাত অধ্যয়নৰ মূল বিষয়।

(3) নালন্দা বিশ্ববিদ্যালয়ত চিকিৎসা শাস্ত্ৰৰ অধ্যয়ন হোৱা নাছিল।

(4) নালন্দা বিশ্ববিদ্যালয়লৈ দেশৰ ছাত্ৰহে মাত্ৰ আহিছিল।

**128.** নালন্দাত হিউৱেন চাঙে কি অধ্যয়ন কৰিছিল ?

(1) বেদ (2) যোগশাস্ত্ৰ

(3) গ্ৰন্থাগাৰ (4) অংকশাস্ত্ৰ

Prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

**নিৰ্দেশ ঃ তলৰ পেৰাগ্ৰাফটো পঢ়ি 129 ৰ পৰা 135 লৈকে দিয়া প্ৰশ্নসমূহৰ শুদ্ধ উত্তৰটো প্ৰদত্ত বিকল্পসমূহৰ মাজৰ পৰা চিনাক্ত কৰাঁ।**

গ্ৰীচত অতি প্ৰাচীন কালৰ পৰাই জ্ঞানৰ চৰ্চা চলিছিল যদিও তাত কিতাপৰ সংখ্যা আছিল অতি তাকৰ। তাৰ কাৰণ আছিল - প্ৰাচীন গ্ৰীকসকলে কিতাপ লিখিবলৈ জন্তুৰ ছাল বা কাঠৰ টুকুৰা আদি যিবোৰ সঁজুলি ব্যৱহাৰ কৰিছিল সেইবোৰত এখন সম্পূৰ্ণ কিতাপ লেখা সহজ কাম নাছিল, আৰু লেখা সম্ভৱ হ'লেও সেইবোৰ অধ্যয়ন কৰা কামটো আছিল অতি কষ্টসাধ্য। খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাত ইজিপ্তৰ পৰা গ্ৰীচলৈ প্ৰথমবাৰৰ কাৰণে পেপিৰাচ আমদানি কৰা হয়। গ্ৰীকসকলে ইমান দিনে যিবোৰ লেখাৰ সঁজুলি ব্যৱহাৰ কৰি আছিল সেইবোৰতকৈ পেপিৰাচেৰে তৈয়াৰ কৰা আৰু সহজে মেৰিয়াই থ'ব পৰা কাকতবোৰ আছিল বহুত বেছি সুবিধাজনক। মিচৰীয় 'পেপিৰাচ' শব্দটোৰ গ্ৰীক প্ৰতিশব্দ আছিল বিব্‌লছ্ (Biblos)। গ্ৰীকসকলে সেই কাৰণে পেপিৰাচত লেখা কিতাপৰ নামো দিছিল বিব্‌লছ্ অৰ্থাৎ কিতাপ। এই বিব্‌লছ্ শব্দৰ পৰাই ওলাইছে খ্ৰীষ্টানসকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থ 'বাইবেল'ৰ নামটো, কাৰণ বাইবেল প্ৰথম ৰচিত হৈছিল গ্ৰীক ভাষাত।

প্ৰাচীন ইজিপ্ত আৰু গ্ৰীচৰ সভ্যতাৰ সমানেই আৰু এটা মহান পুৰণি সভ্যতা হ'ল চীন দেশৰ সভ্যতা। যীশু খ্ৰীষ্টৰ জন্মৰ ২৮০০ বছৰৰ আগতেই চীনৰ সম্ৰাট ফু-হাইয়ে চীনা লিপি তথা বৰ্ণমালাৰ উদ্ভাৱন কৰি লিখিত চীনা সাহিত্যৰ সূচনা কৰে। তাঁহৰ পৰা কাগজ তৈয়াৰ কৰা পদ্ধতি আৰু মুদ্ৰণ-যন্ত্ৰও চীনাসকলেই প্ৰথমে উদ্ভাৱন কৰে। পৃথিৱীৰ সাহিত্য আৰু দৰ্শনৰ ইতিহাসত এটি চিৰস্মৰণীয় নাম হ'ল কন্‌ফ্যুচিয়াছ (৫৫১-৪৭৯ খ্ৰীঃ পূঃ)। প্ৰায় দু-হাজাৰ বছৰ ধৰি চীন দেশত যিবোৰ সাধু কথা, কবিতা আৰু ৰাজবংশৰ বিৱৰণ ৰচিত হৈছিল বা মুখে মুখে চলি আহিছিল সেই সকলোবোৰকে কন্‌ফ্যুচিয়াছে সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰে। তাৰ লগতে তেওঁ যোগ দিয়ে নিজৰ টীকা-টিপ্পনি - যিবোৰ আচলতে আছিল চীনা সমাজৰ কাৰণে কন্‌ফ্যুচিয়াছে প্ৰণয়ন কৰা আচৰণ-বিধি। কেইবাহাজাৰ বছৰ ধৰি চীনাসকলে কন্‌ফ্যুচিয়াছৰ নীতি-শিক্ষা আৰু আচৰণ-বিধি মানি চলিছিল। সেই কাৰণে কন্‌ফ্যুচিয়াছক মানৱ-জাতিৰ আটাইতকৈ প্ৰভাৱশালী শিক্ষকসকলৰ ভিতৰত এজন বুলি ধৰা হয়।

**129.** আদিতে গ্ৰীকসকলৰ কিতাপ কম আছিল। কাৰণ -

(1) তেওঁলোকে কাকতৰ ব্যৱহাৰ নাজানিছিল।

(2) তেওঁলোকে লেখন সঁজুলি ভালকৈ ব্যৱহাৰ কৰিব নাজানিছিল।

(3) তেওঁলোকে লেখিব নাজানিছিল।

(4) তেওঁলোকে জন্তুৰ চালত লেখিব নোৱাৰিছিল।

**130.** বাইবেলৰ মূল শব্দটোৰ মিচৰীয় প্ৰতিশব্দটো হৈছে -

(1) বিব্‌ল্ (2) কিতাপ (3) বিব্‌লছ্ (4) পেপিৰাছ

**131.** চীনাসকলে লিপিৰ আৱিষ্কাৰ কৰি চীনা সাহিত্যৰ সূচনা কৰে -

(1) ২৮০০ খ্ৰীষ্টপূৰ্বত (2) ২৮০০০ খ্ৰীষ্টপূৰ্বত

(3) ২৮ খ্ৰীষ্টপূৰ্বত (4) ২৮০ খ্ৰীষ্টপূৰ্বত

prepp
Your Personal Exams Guide

**132.** তলৰ কোনটো উক্তি শুদ্ধ ?

(1) গ্ৰীকসকলে কাগজৰ ব্যৱহাৰ শিকাৰ প্ৰায় ২১০০ বছৰৰ পূৰ্বেই চীনা সাহিত্যৰ জন্ম হৈছিল।

(2) গ্ৰীকসকলে বাঁহৰ পৰা প্ৰস্তুত কৰা পেপিৰাছত লিখিছিল।

(3) চীনা লিপি আৱিষ্কাৰৰ পূৰ্বেই গ্ৰীকসকলে কাগজৰ ব্যৱহাৰ কৰিছিল।

(4) গ্ৰীকসকলে কাগজৰ ব্যৱহাৰ কৰা কালত চীনা সাহিত্য নাছিল।

**133.** “. . . . . চীনা লিপি তথা বৰ্ণমালাৰ উদ্ভাৱন কৰি . . . ” ইয়াত তথা শব্দটো -

(1) বিয়োজক অব্যয় (2) সৰ্বনাম

(3) সংযোজক অব্যয় (4) বিশেষণ

**134.** কন্‌ফ্যুচিয়াছ আছিল -

(1) কাগজৰ উদ্ভাৱক

(2) চীনা সম্ৰাট

(3) মানৱ জাতিৰ আটাইতকৈ প্ৰভাৱশালী শিক্ষকসকলৰ এজন

(4) মুদ্ৰণ যন্ত্ৰৰ উদ্ভাৱক

prepp
Your Personal Exam Guide

**135.** চীনা লিপিৰ উদ্ভাৱক -

(1) চীনা জনতা (2) অজ্ঞাত চীনা লোক

(3) কন্‌ফ্যুচিয়াছ (4) ফু-হাই

**136.** ৰাষ্ট্ৰীয় শিক্ষা নীতি - 2020 অনুসৰি ভাষা শিক্ষণৰ ক্ষেত্ৰত তলৰ কোনটো কথা শুদ্ধ নহয় ?

(1) ত্ৰি-ভাষা সূত্ৰৰ অধীনত ভাৰতীয় ভাষা শিকা

(2) ত্ৰি-ভাষা সূত্ৰৰ অধীনত ইংৰাজী ভাষা শিকা

(3) ত্ৰি-ভাষা সূত্ৰৰ ভিতৰত এটা ধ্ৰুপদী ভাষা শিকা

(4) মাতৃভাষা/ঘৰুৱা ভাষা ত্ৰি-ভাষা সূত্ৰৰ অধীনত শিকা

**137.** অষ্টম শ্রেণীৰ এগৰাকী শিক্ষকে ইংৰাজী ভাষাত পাঁচোটা বাক্য দুবাৰকৈ কৈ শিক্ষাৰ্থীসকলক কথাখিনি মনোযোগেৰে শুনিবলৈ ক'লে। তাৰ পাছত শিক্ষাৰ্থীসকলক কিছুমান গোটত ভাগ কৰি পূৰ্বতে কৈ অহা বাক্যকেইটাৰ ঠাইত তাৰ অৰ্থৰ সৈতে ওচৰ চপা বাক্যকেইটামান লিখিবলৈ দিলে। এই কাৰ্যটোক কি বুলি জনা যায় ?

(1) সামূহিক শ্ৰুতলিপি (2) শ্ৰৱণ কাৰ্য

(3) লেখন কাৰ্য (4) পেৰাগ্ৰাফৰ শ্ৰুতলিপি

**138.** তলৰ কোনটো পদ্ধতি ভাষা ভালকৈ লিখাৰ ক্ষেত্ৰত প্ৰযোজ্য ?

(1) মস্তিষ্ক মন্থন - পইন্টসমূহ লিখি উলিওৱা - খচৰা লিখন - সম্পাদনা - ৰূপৰেখা প্ৰস্তুতকৰণ - চূড়ান্তকৰণ

(2) মস্তিষ্ক মন্থন - পইন্টসমূহ লিখি উলিওৱা - ৰূপৰেখা প্ৰস্তুতকৰণ - খচৰা লিখন - সম্পাদনা - চূড়ান্তকৰণ

(3) মস্তিষ্ক মন্থন - ৰূপৰেখা প্ৰস্তুতকৰণ - খচৰা লিখন - পইন্টসমূহ লিখি উলিওৱা - সম্পাদনা - চূড়ান্তকৰণ

(4) মস্তিষ্ক মন্থন - পইন্টসমূহ লিখি উলিওৱা - খচৰা লিখন - ৰূপৰেখা প্ৰস্তুতকৰণ - সম্পাদনা - চূড়ান্তকৰণ

**139.** ভাষা শিক্ষণৰ ক্ষেত্ৰত তলৰ কোনটো বক্তব্য শুদ্ধ ?

(1) নিজাভাষা/প্ৰথম ভাষাৰ শিক্ষণে দ্বিতীয় ভাষা শিকনত সহায় কৰে।

(2) প্ৰথম ভাষা শিকন আৰু দ্বিতীয় ভাষা সম্পূৰ্ণ সুকীয়া।

(3) নিজাভাষা/প্ৰথম ভাষাৰ জ্ঞানে দ্বিতীয় ভাষা আহৰণত প্ৰভাৱ বিস্তাৰ কৰে।

(4) নিজাভাষা/প্ৰথম ভাষাৰ দ্বিতীয় ভাষা শিকনৰ ক্ষেত্ৰত কোনো ভূমিকা নাই।

**140.** সপ্তম শ্রেণীৰ ছাত্ৰ ইলমে কানাড়া, মাৰাঠী, হিন্দী আৰু ইংৰাজী ভাষা জানে। তেওঁ ঘৰত মাক দেউতাকৰ সৈতে কথা পাতোঁতে এই চাৰিওটা ভাষা নিঃসংকোচে ব্যৱহাৰ কৰে। আনহাতে বিদ্যালয়ত তেওঁ হিন্দী, কানাড়া আৰু ইংৰাজী ব্যৱহাৰ কৰে, কাৰণ, তেওঁৰ বন্ধু আৰু শিক্ষকসকলে এই তিনিটা ভাষা ভালকৈ বুজি পায়। এই অভ্যাসটোক কি বুলি জনা যায় ?

(1) ভাষা সঞ্চৰণ (Code moving)

(2) আন্তঃ ভাষা (Inter language)

(3) আন্তঃ ভাষিক দক্ষতা (Translingual ability)

(4) ভাষা মিশ্ৰণ (Code meshing)

**141.** বিদ্যায়তনিক ভাষাত দক্ষতা অথবা বিভিন্ন বিষয় ক্ষেত্ৰত প্ৰয়োজনীয় ভাষাৰ ক্ষেত্ৰক সূচায় -

(1) যোগাযোগমূলক ভাষা দক্ষতা

(2) বোধজনিত বিদ্যায়তনিক দক্ষতা (CALP)

(3) আন্তঃ ভাষা দক্ষতা

(4) প্ৰাথমিক আন্তঃ ব্যক্তিক যোগাযোগ দক্ষতা (BICS)

142. আলোচ্য বিষয়ৰ বিপৰীত প্ৰসংগৰ সৈতে শিক্ষাৰ্থীক মুখামুখি কৰাই মূল বিষয়টো সম্পৰ্কে ধাৰণা কৰিবলৈ দিয়া এটা পৰিবেশ সৃষ্টি কৰা হৈছে। এনেদৰে শিক্ষাৰ্থীক শিকোৱা কাৰ্যটোক কি কোৱা হয় ?

(1) সমালোচনাত্মক অক্ষৰ জ্ঞান (Critical Literacy)

(2) অক্ষৰ জ্ঞানৰ বিকাশ (Literacy development)

(3) সমালোচনামূলক বিশ্লেষণ

(4) ব্যৱস্থাকেন্দ্ৰিক শিক্ষণ কৌশল (Process based pedagogy)

143. এগৰাকী শিক্ষকে ষষ্ঠ শ্ৰেণীৰ শ্ৰেণীকোঠাত পাকঘৰৰ সামগ্ৰীসমূহৰ বৰ্ণনামূলক লিখনৰ যোগেদি শব্দভাণ্ডাৰৰ জ্ঞান দিবলৈ শ্ৰেণীলৈ চামুচ, কাঁহিবাতি, বাকচ, কেৰাহী আদি আনি প্ৰদৰ্শন কৰিছে। ভাষা শিক্ষণৰ ক্ষেত্ৰত এই সামগ্ৰীবোৰক কি বুলি জনা যায় ?

(1) ৰন্ধন সামগ্ৰী

(2) বাস্তৱ জীৱনৰ কাৰ্য

(3) শিক্ষণ সামগ্ৰী

(4) ৰিলিয়া (Realia)

144. সমাজ অধ্যয়নৰ শ্ৰেণী এটাত শিক্ষাৰ্থীসকলে শ্ৰেণীকোঠাৰ বক্তৃতাৰ মূল কথাবোৰ টুকি ৰাখি বক্তৃতাটোৰ মূল বিষয়বোৰ সম্পৰ্কে ধাৰণা এটা ধৰি ৰাখিছে। এই দক্ষতাটোক কি বুলি কোৱা হয় ?

(1) লিখন দক্ষতা

(2) বোধজনিত দক্ষতা

(3) অধ্যয়ন দক্ষতা

(4) শ্ৰৱণ দক্ষতা

145. শিকন পৰিণতিয়ে শিক্ষাৰ্থীক সমৰ্থ কৰে -

(1) সকলো কৌশল ন্যূনতম স্তৰলৈকে আহৰণ কৰাত।

(2) মাপন যোগ্য ৰূপত ভাষিক উপকৰণ আহৰণ কৰাত।

(3) মাপন যোগ্য বিষয়ৰ বৈয়াকৰণিক জ্ঞান আহৰণ কৰাত।

(4) মাপন যোগ্য পৰিভাষাৰ ক্ষেত্ৰত পাৰদৰ্শিতা আহৰণত।

146. ভাষান্তৰকৰণ (Translanguaging) কি ?

(1) একাধিক ভাষাক শ্ৰেণীকোঠাত পাঠদানৰ সমল হিচাপে ব্যৱহাৰ কৰা এক শিক্ষণ কৌশল।

(2) বিদ্যালয়ত কিমানটা ভাষা শিকোৱা হ'ব সেই বিষয়ক শিক্ষা নীতিৰ ভাষা বিষয়ক আঁচনি।

(3) ভাষা শিক্ষণ-শিকনৰ কালত এটা ভাষাৰ পৰা আন এটা ভাষালৈ গুচিযোৱাটোক।

(4) ভাষা কিদৰে সময়ৰ সোঁতত সলনি হৈ আহি আছে।

prepp
Your Personal Exams Guide

**147.** তলত এটা প্ৰশ্ন দিয়া আছে। প্ৰশ্নটো পঢ়াঁ আৰু প্ৰকাৰ তত্ত্বৰ আধাৰত ই কোন শ্ৰেণীৰ প্ৰশ্ন নিৰ্ণয় কৰাঁ।

এগৰাকী কণমানি ছোৱালীৰ জীৱনৰ কাহিনী পঢ়ি তেওঁ সন্মুখীন হোৱা দুখৰ কথা শুনি তুমি প্ৰভাৱিত হ'লা আৰু সেই সমস্যাৰ মুখামুখি হ'বলৈ তুমি সিদ্ধান্ত ল'লা। তুমি ছোৱালীজনীক উৎসাহ যোগাবলৈ এখন চিঠি লিখিব লাগে। 120 টা শব্দৰ ভিতৰত চিঠিখন লিখাঁ।

(1) বহিৰ্বেশনমূলক প্ৰশ্ন (Extrapolative Question)

(2) বিভ্ৰান্তিমূলক প্ৰশ্ন (Discursive Question)

(3) অভিব্যক্তিমূলক প্ৰশ্ন

(4) দীঘলীয়া উত্তৰৰ প্ৰশ্ন

**148.** তলৰ কোনটো ত্ৰি-ভাষা সূত্ৰৰ ক্ষেত্ৰত সত্য ?

(1) প্ৰত্যেক শিশুৱেই ৰাজভাষা হিন্দীত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি উচ্চ মাধ্যমিক স্তৰলৈকে অন্ততঃ দুটা অতিৰিক্ত ভাষা শিকিব।

(2) প্ৰত্যেক শিশুৱেই মাতৃভাষা বা ঘৰুৱা ভাষাত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি উচ্চ মাধ্যমিক স্তৰ পৰ্যন্ত অন্ততঃ দুটা অতিৰিক্ত ভাষা শিকিব।

(3) শিশু এটাই ইংৰাজী বা ঘৰুৱা ভাষাত স্কুলীয়া শিক্ষা আৰম্ভ কৰি উচ্চ মাধ্যমিক স্তৰ সমাপ্ত কৰালৈকে দুটা বা অধিক ভাষা শিকিব।

(4) প্ৰত্যেক শিশুৱেই ৰাজ্য ভাষাত প্ৰাথমিক শিক্ষা আৰম্ভ কৰি উচ্চ মাধ্যমিক স্তৰৰ শিক্ষা শেষ কৰালৈকে অন্ততঃ দুটা অতিৰিক্ত ভাষা শিকিব।

**149.** তলৰ কোনটো পদ্ধতিয়ে মৌখিক অনুশীলন আৰু 'ভাষাৰ আনুষ্ঠানিক সমলসমূহ আয়ত্তকৰণ' ভাষা অধ্যয়নৰ বাবে অত্যাৱশ্যকীয় হিচাপে গণ্য কৰে ?

(1) ব্যাকৰণ অনুবাদ পদ্ধতি

(2) সম্পূৰ্ণ শাৰীৰিক সঁহাৰি

(3) শ্ৰব্যভাষিকতা (Audiolingualism)

(4) যোগাযোগমূলক ভাষা শিক্ষণ

**150.** ঘোষিত জ্ঞান (Declarative knowledge) হৈছে -

(1) ব্যাকৰণৰ বিষয়ত ভুল চিনাক্ত কৰিব জনা

(2) বৈয়াকৰণিক বিষয় কিদৰে লিখিব লাগে সেয়া জনা

(3) ভাষাৰ শব্দ উচ্চাৰণ কৰিবলৈ শিকা

(4) ব্যাকৰণৰ বিষয় সম্পৰ্কে জনা

- o O o -

www.prepp.in

Prepp
Your Personal Exams Guide

SPACE FOR ROUGH WORK

Prepp
Your Personal Exam Guide

www.prepp.in

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘুৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।

3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰানিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহ'লে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। **পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহিৰ খালি ঠাইত বাঁও হাতৰ বুঢ়া অঙ্গুলিৰ ছাপ ৰখা লাগিব।**

12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চুড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर पत्र निरीक्षक को अवश्य सौंप दें। *परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room. *The candidates are allowed to take away this Test Booklet with them.***